**সান্তোকচান্দ কানায়ালাল জৈন**
**-বনাম-**
**ভূচাৱ্ল ব'ৰ' পৌৰসভা আৰু অন্যান্য**
**১৯৬৫ চনৰ ২ ছেপ্টেম্বৰ**
**[ন্যায়াধীশ কে. সুব্বা ৰাও, জে. আৰ. মুধলকাৰ আৰু আৰ. এছ্. বাচাৱাট]**

পৌৰসভা- পৌৰসভাই নিজৰ কাৰ্যকালৰ অৱশিষ্টৰ বাবে নিৰ্বাচিত সভাপতি- ব'ম্বে পৌৰসভা ব'ৰ' আইন (Bombay Municipal Borough Act ) ৰ ধাৰা ২৫ মতে সাধাৰণ কাৰ্য্কাল চাৰি বছৰ- মহাৰাষ্ট্ৰ পৌৰ (সাধাৰণ নিৰ্বাচন একীকৰণৰ স্থগিতকৰণ পৌৰ বিধি) আইন, ১৯৬৪ ৰ ধাৰা ৩ ৰ জড়ীয়তে পৌৰসভাৰ কাৰ্যকাল চাৰি বছৰৰ ওপৰলৈ বৃদ্ধি কৰা হৈছে- সভাপতিৰ কাৰ্যকালত এনে বৃদ্ধিৰ প্ৰভাৱ- ধাৰা ১৯ ৰ দ্বিতীয় চৰ্ত্ত পৌৰসভা ব'ৰ' আইনত প্ৰযোজ্য হব না নহব।

আপীলকাৰী, ১৯৬৪ চনৰ জুলাই মাহত বম্বে ৰাজ্যৰ ভূছাৱল ব'ৰ' পৌৰসভাৰ নিৰ্বাচিত সভাপতি আছিল। একেদিনাই পৌৰসভাই এটা প্ৰস্তাৱ গৃহীত কৰে যে সভাপতিৰ কাৰ্যকাল "পৌৰসভাৰ অৱশিষ্ট কাৰ্যকালৰ" বাবেহে। বম্বে পৌৰসভা ব'ৰ' আইন, ১৯২৫ চনৰ ধাৰা ২৫ ত উল্লেখ কৰা অনুসৰি পৌৰসভাৰ চাৰি বছৰৰ কাৰ্যকাল (১৯২৫ চনৰ ১৮ নং বম্বে আইন) ১৯৬৫ চনৰ ১৭ ফেব্ৰুৱাৰীত ম্যাদ উকলিবলগীয়া আছিল। ইতিমধ্যে মহাৰাষ্ট পৌৰ (সাধাৰণ নিৰ্বাচন একীকৰণৰ, স্থগিতকৰণ পৌৰ বিধি) আইন, ১৯৬৪ গৃহীত হৈছিল, আৰু ধাৰা ৩ অধীনত পৌৰসভাৰ পাৰিষদৰ কাৰ্যকাল পৰিকল্পনাৰ দ্বাৰা ১৯৬৫ চনৰ ৩১ ডিচেম্বৰলৈকে বৃদ্ধি কৰা হয়।অন্চলটোৰ কালেক্টৰে/সংগ্ৰাহকে ধৰি লৈছিল যে সভাপতিৰ কাৰ্য্কাল ১৯৬৫ চনৰ

১৭ ফেব্রুৱাৰীত সমাপ্ত হব আৰু তেওঁ ১৯৬৫ চনৰ মাৰ্চ মাহত নতুনকৈ নিৰ্বাচনৰ বাবে জাননী জাৰি কৰে। আপীলকাৰীয়ে সংবিধানৰ অনুচ্ছেদ নং ২২৬ আৰু ২২৭ ৰ অধীনত আবেদন দাখিল কৰে আৰু দাবী কৰে যে যিহেতু পৌৰসভাৰ কাৰ্যকাল ১৯৬৫ চনৰ ৩১ ডিচেম্বৰলৈকে বৃদ্ধি কৰা হৈছে, সেয়েহে পৌৰসভাই গৃহীত কৰা প্ৰস্তাৱৰ অধীনত তেওঁ সেই তাৰিখলৈকে সভাপতি হোৱাৰ অধিকাৰী। উচ্চ ন্যায়ালয়ে এই যুক্তি/বিবাদ নাকচ কৰে। উচ্চ ন্যায়ালয়ে প্ৰদান কৰা ফিটনেছৰ/উপযুক্ততাৰ প্ৰমাণ পত্ৰ লৈ আপীলকাৰীজন এই আদালতলৈ আহিছিল।

আৱেদনৰ চমু প্ৰশ্নটো হ'ল যে পৌৰসভাৰ সংকল্পত "পৌৰসভাৰ অৱশিষ্ট" অভিব্যক্তিটোৱে মহাৰাষ্ট্ৰ আইনখন গৃহীত নহ'লে পৌৰসভাৰ অৱশিষ্ট যিটো হ'লহেঁতেন সেই কথা বুজাইছে নে মহাৰাষ্ট্ৰ আইনৰ দ্বাৰা প্ৰদান কৰা বৰ্ধিত ম্যাদৰ পৰিপ্ৰেক্ষিতত ইয়াক বুজিব লাগে।আপীলকাৰীৰ হৈ যুক্তি দিয়া হৈছিল যে আপীলকাৰীয়ে মহাৰাষ্ট্ৰ আইনখনে প্ৰদান কৰা বৰ্ধিত ম্যাদ লাভ কৰিব, কাৰণ কাৰ্যতঃ ই আইনখনৰ অধীনত ধাৰা ১৯ ৰ দ্বিতীয়টো নীতিৰ অৰ্থৰ ভিতৰত বৃদ্ধি কৰা হৈছিল, ধাৰা ১৯ ৰ অধীনত বা যিকোনো পৰিস্থিতিত তেওঁ সুবিধা পাইছিল কাৰণ মহাৰাষ্ট্ৰ আইনখনে কাৰ্যকৰীভাৱে আইনখনৰ ধাৰা ২৫ সংশোধন কৰিছিল যাৰ ফলত 'ম্যাদ' ৰ 'অৱশিষ্ট' বৃদ্ধি কৰা হৈছিল ১৯৬৫ চনৰ ৩১ ডিচেম্বৰলৈ।

<u>মত পোষণ কৰা হয় যে</u>: (১) মহাৰাষ্ট্ৰ আইনৰ ধাৰা ৩ ৰ অধীনত নিৰ্ধাৰিত সময়সীমা বৃদ্ধি কৰাই নহয়, পৌৰসভা ব'ৰ' আইনৰ ধাৰা ২৫ ৰ অধীনত বৃদ্ধি কৰা ম্যাদ বা আইনৰ আন কোনো ধাৰাত বৃদ্ধি কৰা ম্যাদও। যদি সেইটোৱেই হয়, মহাৰাষ্ট আইনখনৰ ধাৰা ১৯ ৰ দ্বিতীয়

নীতি অনুসৰি আইনী প্ৰভাৱ বৰ্ত্তমানৰ গোছৰত নপৰে যিহেতু কাউন্সিলাৰ/পাৰিষদ সকলৰ কাৰ্যকাল নিৰ্ধাৰণ কৰা কোনো অধিসূচনা ধাৰা ২৫ ৰ অধীনত জাৰি কৰা নাছিল বা আইনখনৰ অন্য প্ৰাসংগিক ধাৰাতো পাৰিষদৰ বৃদ্ধি কৰা কাৰ্য্কাল কৰা নাছিল। সেয়েহে বৰ্তমানৰ উদ্দেশ্যেত ধাৰা ১৯ ৰ দ্বিতীয়টো নীতি বিবেচনাৰ বাহিৰত এৰি দিবলগীয়া হৈছিল আৰু সমস্যাটোও আছিল ধাৰা ২৫ ৰ অধীনত কাউন্সিলাৰ/পাৰিষদ সকলৰ কাৰ্যকাল নিৰ্ধাৰণ কৰা পৰিকল্পনাৰ ভিত্তিত কাষ চাপিব লাগিব যিটো আইনৰ ধাৰা ২৫ ত ১৯৬৫ চনৰ ৩১ ডিচেম্বৰলৈকে বৃদ্ধি কৰা হয়।[৬৯৯ ছ-৭০০ ক]

(২) পৌৰসভাৰ উদ্দেশ্য কেৱল প্ৰস্তাৱ গৃহীত হোৱাৰ সময়ত আৰু উক্ত প্ৰস্তাৱৰ স্পষ্ট চৰ্তসমূহৰ ওপৰত বিধিগত বা অন্যথা বিদ্যমান পৰিস্থিতিৰ পৰাহে সংগ্ৰহ কৰিব পৰা যাব।

ধাৰা ১৯ ৰ দ্বিতীয়টো নীতিত আইনখনৰ অধীনত পৌৰসভাৰ কাৰ্যকাল বৃদ্ধিৰ কথা চিন্তা কৰা হৈছে। সেয়েহে প্ৰস্তাৱটো গৃহীত হোৱাৰ সময়ত পৌৰসভাই এনে পৰিস্থিতিৰ কথা চিন্তা কৰিব নোৱাৰিলেহেঁতেন, যিহেতু আইনখনৰ বিধান অনুসৰি পৌৰসভাৰ কাৰ্যকাল বৃদ্ধি কৰা হ'ব বুলি ভৱিষ্যদ্বাণী কৰাটো সম্ভৱ নাছিল। তদুপৰি মহাৰাষ্ট্ৰ আইনৰ শিখৰত উপনীত হোৱা অধ্যাদেশ জাৰি কৰাৰ অন্তৰ্নিহিত বস্তুৰ বিবৃতিৰ পৰা দেখা গ'ল যে ৰাজ্যখনৰ পৌৰসভাসমূহৰ কাৰ্যকাল বৃদ্ধিৰ প্ৰশ্নটো ১৯৬৩ চনৰ জুলাই মাহতো গুৰুত্বসহকাৰে বিবেচনাধীন আছিল। ১৯৬৪ চনত যেতিয়া সভাপতিৰ কাৰ্যকাল বৃদ্ধি কৰা হয়, তেতিয়া পৌৰসভাই, পৌৰসভাৰ কাৰ্যকাল ৪ বছৰৰ অধিক বৃদ্ধি কৰাৰ পৰামৰ্শ দি প্ৰস্তাৱ গৃহীত কৰে। সেয়েহে স্পষ্ট আছিল যে বৃদ্ধি কৰাৰ সময়ত লাভ কৰা বিধিগত আৰু অন্যান্য

পৰিস্থিতিৰ ভিত্তিত পাৰিষদসকলে স্পষ্টভাৱে আশা কৰিছিল যে পৌৰসভাৰ কাৰ্যকাল বৃদ্ধি কৰা হ’ব বা হ’ব পাৰে আৰু সেই জ্ঞানেৰে তেওঁলোকে কাৰ্যকাল নিৰ্ধাৰণ কৰা প্ৰস্তাৱটো গৃহীত কৰিছিল পৌৰসভাৰ সভাপতিৰ কাৰ্যকালৰ অৱশিষ্টৰ বাবে; উদ্দেশ্য আছিল যে সভাপতিৰ কাৰ্যকাল পৌৰসভাৰ জীৱনকালৰ সৈতে সমন্বয় হ'ব লাগে। [৭00 খ-৭0১ ঘ]

উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ সেয়েহে শুদ্ধ নাছিল আৰু ইয়াক বাতিল কৰিবলগীয়া হৈছিল।

দেৱানী আপীল অধিকাৰক্ষেত্ৰ: ১৯৬৫ চনৰ দেৱানী আপীল নং ৪৮১।

১৯৬৫ চনৰ ৪৪৭ নং বিশেষ দেৱানী আবেদনত বম্বে উচ্চ ন্যায়ালয়ৰ ১৯৬৫ চনৰ ৩০ এপ্ৰিলৰ ৰায় আৰু আদেশৰ বিৰুদ্ধে আপীল।

আপীলকাৰীৰ হৈ চি. বি. আগৰৱালা, এছ. এন. প্ৰসাদ, জে. বি. দাদাচানজী, অ’. চি. মাথুৰ আৰু ৰবিন্দৰ নাৰায়ণ।

এছ. ভি. গুপ্তে, চলিচিটৰ জেনেৰেল/মহা ন্যায়াভীকৰ্ত্তা, আৰু বি. আৰ. জি. কে. আচাৰ, বিপৰীত পক্ষ নং. ২ ৰ পৰা ৪ লৈ।

আদালতে ৰায়দান কৰে...

**ন্যায়াধীশ ছুব্বা ৰাও**- এই আপীলত প্ৰমাণপত্ৰৰ দ্বাৰা ধাৰা ১৯ আৰু ধাৰা ২৫ ত বম্বে পৌৰসভা ব’ৰ’ আইন, ১৯২৫ (১৯২৫ চনৰ বম্বে আইন নং ১৮), ইয়াৰ পিছত কেৱল আইন বুলি কোৱা হ’ব, আৰু মহাৰাষ্ট পৌৰ (সাধাৰণ নিৰ্বাচন একীকৰণৰ, স্থগিতকৰণ পৌৰ বিধি) আইন, ১৯৬৪, ইয়াৰ পিছত মহাৰাষ্ট্ৰ আইন বুলি কোৱা হ’ব, ধাৰা ৩ ৰ সৈতে সঠিক ব্যাখ্যাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰা হৈছে। তথ্যবোৰ এটা সৰু গণ্ডিত নিহিত হৈ আছে। যোৱা সাধাৰণ নিৰ্বাচনত,

ভূসাৱল ব’ৰ’ পৌৰসভাৰ সদস্যসকলৰ বাবে ১৯৬০ চনৰ আইনৰ মতে অনুষ্ঠিত হয়। তাৰ পিছত ১৯৬১ চনৰ ১৮ ফেব্রুৱাৰীত প্ৰথমখন সাধাৰণ সভা অনুষ্ঠিত হয়। আইনৰ ২৫ নং ধাৰা অনুসৰি স্বাভাৱিকভাৱে পৌৰসভাৰ জীৱনকাল/কাৰ্য্কাল ১৯৬৫ চনৰ ১৭ ফেব্রুৱাৰীত শেষ হ’লহেঁতেন; কিন্তু, মহাৰাষ্ট্ৰ আইনৰ ধাৰা ৩ অনুসৰি পৌৰসভাৰ কাউন্সিলাৰ/পাৰিষদ সকলৰ কাৰ্যকাল পৰিকল্পনা অনুসৰি ১৯৬৫ চনৰ ৩১ ডিচেম্বৰলৈকে বৃদ্ধি কৰা হৈছিল। ১৯৬৪ চনৰ ১৮ জুলাইত আপীলকাৰীক পৌৰসভাৰ সভাপতি নিৰ্বাচিত কৰা হয়; আৰু সেইদিনাই পৌৰসভাই এটা প্ৰস্তাৱ গৃহীত কৰে যে সভাপতিৰ কাৰ্যকাল "পৌৰসভাৰ কাৰ্যকালৰ অৱশিষ্ট" হ'ব। ১৯৬৫ চনৰ ১৭ ফেব্রুৱাৰীত সভাপতিৰ কাৰ্যকাল শেষ হ’ল বুলি ধৰি লৈ জলগাঁৱৰ কালেক্টৰে ১৯৬৫ চনৰ ২ মাৰ্চত এখন জাননী জাৰি কৰি ১৯৬৫ চনৰ ১৫ মাৰ্চত পৌৰসভাৰ বৈঠকত এজন নতুন সভাপতি নিৰ্বাচনৰ বাবে আহ্বান জনায়। ইয়াৰ পিছত আপীলকাৰীয়ে সংবিধানৰ অনুচ্ছেদ নং ২২৬ আৰু ২২৭ ৰ অধীনত কালেক্টৰে জাৰি কৰা জাননী বাতিল কৰি উপযুক্ত আদেশ জাৰি কৰাৰ বাবে মহাৰাষ্ট্ৰৰ উচ্চ ন্যায়ালয়ত এখন আবেদন দাখিল কৰে। তাত আপীলকাৰীয়ে দাবী কৰিছিল যে, যিহেতু মহাৰাষ্ট্ৰ আইন অনুসৰি পৌৰসভাৰ কাৰ্যকাল ১৯৬৫ চনৰ ৩১ ডিচেম্বৰলৈকে বৃদ্ধি কৰা হৈছে, সেয়েহে তেওঁ সেই তাৰিখলৈকে সভাপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ অধিকাৰী। উক্ত উচ্চ ন্যায়ালয়ৰ খণ্ড বিছাৰপীঠে সেই যুক্তি নাকচ কৰি আবেদনখন খাৰিজ কৰে। সেয়েহে এই আবেদন কৰা হৈছে।

আবেদনখনৰ চমু প্ৰশ্নটো হ'ল ১৯৬৪ চনৰ ১৮ জুলাই তাৰিখে পৌৰসভাৰ প্ৰস্তাৱত "পৌৰসভাৰ অৱশিষ্ট" শব্দটোৱে মহাৰাষ্ট্ৰ আইন

গৃহীত নহ'লে পৌৰসভাৰ অৱশিষ্টখিনিক বুজায় নেকি? বা মহাৰাষ্ট্ৰ আইনখনে প্ৰদান কৰা বৰ্ধিত কাৰ্যকালৰ প্ৰসংগত ইয়াক ব্যাখ্যা কৰা উচিত নেকি।

আপীলকাৰীৰ বিদ্বান অধিবক্তা আগৰৱালা ডাঙৰীয়াই দাবী কৰিছিল যে আপীলকাৰীয়ে মহাৰাষ্ট্ৰ আইনত প্ৰদান কৰা বৰ্ধিত সময়সীমা পাব, কাৰণ কাৰ্যতঃ ই আইনখনৰ অধীনত ধাৰা নং ১৯ ৰ দ্বিতীয়টো বিধানৰ অৰ্থৰ ভিতৰত "বৰ্ধিত" আছিল। ধাৰা ১৯ ৰ অধীনত বা যিকোনো পৰিস্থিতিত তেওঁ সুবিধা পাইছিল কাৰণ মহাৰাষ্ট্ৰ আইনখনে কাৰ্যকৰীভাৱে ধাৰা নং ২৫ ৰ সংশোধনীৰ অধীনত "ম্যাদ"ৰ "অৱশিষ্ট" ১৯৬৫ চনৰ ৩১ ডিচেম্বৰলৈ বৃদ্ধি কৰিছিল।

আনহাতে, বিদ্বান ছলিচিটৰ জেনেৰেলে/মহাভীকৰ্ত্তাই যুক্তি দিছিল যে আইনখনৰ ধাৰা নং ১৯ ৰ দ্বিতীয়টো নীতি'ৰ কোনো প্ৰয়োগ নাছিল, কাৰণ ইয়াত কেৱল আইনখনৰ বিধানৰ অধীনত অধিসূচনাৰ দ্বাৰা বা অন্যথা সম্প্ৰসাৰণৰ কথাহে আলোচনা কৰা হৈছিল আৰু মহাৰাষ্ট্ৰ আইনখনে দিয়া বিধিগত সম্প্ৰসাৰণৰ অধীনত আইনখন সম্প্ৰসাৰণ হ'ব নোৱাৰে; সেয়ে মহাৰাষ্ট্ৰ আইনখনৰ প্ৰভাৱ হ'লেও আইনৰ ধাৰা নং ২৫ ৰ ফলত পৌৰসভাৰ সদস্যসকলক আইনখনৰ সংশোধনৰ দ্বাৰাই বৃদ্ধি কৰা হৈছিল, ই আপীলকাৰীক সহায় নকৰে কাৰণ পৌৰসভাই গৃহীত কৰা প্ৰস্তাৱৰ পৰিসৰ প্ৰস্তাৱ গৃহীত হোৱাৰ সময়ত থকা পৰিস্থিতিৰ ভিত্তিত ব্যাখ্যা কৰা উচিত আছিল, অৰ্থাৎ, সভাপতি নিৰ্বাচনৰ পূৰ্বে, আৰু সেই সময়ত পৌৰসভাৰ কাউন্সিলাৰ/পাৰিষদ সকলে সেই সময়ত পৌৰসভাৰ জীৱনৰ অৱশিষ্টৰ সময়তহে সভাপতিৰ কাৰ্যকাল নিৰ্ধাৰণ কৰা প্ৰস্তাৱটো গৃহীত কৰিব পাৰিলেহেঁতেন, আন কথাত ক'বলৈ গ'লে, প্ৰস্তাৱ গৃহীত কৰা

কাউন্সিলাৰ/পাৰিষদ সকলৰ উদ্দেশ্য কেৱল প্ৰস্তাৱ গৃহীত কৰাৰ সময়ত বিধিগত বা অন্য কোনো পৰিস্থিতিৰ পৰাহে সংগ্ৰহ কৰিব পৰা গ'ল হেঁতেন।

বিদ্বান অধিবক্তাই বিভিন্ন কোণৰ পৰা উপস্থাপন কৰা সমস্যাটো উক্ত বিধানসমূহৰ সত্য/সঠিক ব্যাখ্যাৰ ওপৰতহে সমাধান কৰিব পৰা যাব। গতিকে এই পৰ্যায়ত প্ৰাসংগিক বিধানসমূহ পঢ়াটো সুবিধাজনক হ'ব।

<u>আইনৰ ১৯ নং ধাৰাঃ</u>

(১) এই আইনত অন্যথা প্ৰদান কৰাৰ বাহিৰে, কোনো সভাপতি বা উপ-সভাপতি, পৌৰসভাৰ কাৰ্যকালৰ অৱশিষ্টতকৈ কম নহয় বা এবছৰতকৈ কম নহয়, তেনে কাৰ্যকালৰ বাবে নিজৰ পদত অধিষ্ঠিত হোৱা সভাপতি বা উপ-সভাপতিৰ নিৰ্বাচনৰ পূৰ্বে বা তেওঁৰ কাৰ্যকালৰ ভিতৰত কাউন্সিলাৰ/পাৰিষদ হিচাপে শেষ নোহোৱালৈকে পৌৰসভাই নিৰ্ধাৰণ কৰা চাৰি বছৰৰ অধিক হ'ব নোৱাৰিব, কিন্তু পুনৰ নিৰ্বাচনৰ বাবে যোগ্য হ'ব:

উল্লেখ কৰা হৈছে যে

ইয়াৰ উপৰিও এই আইনৰ অধীনত পৌৰসভাৰ কাৰ্যকাল সামগ্ৰিকভাৱে পাঁচ বছৰৰ অধিক নহয়, তেনে ম্যাদ বৃদ্ধি কৰা তাৰিখৰ পৰা বা কাৰ্যকৰী হোৱা তাৰিখৰ ঠিক আগতেই কাৰ্যভাৰ গ্ৰহণ কৰা সভাপতি আৰু উপ-সভাপতিৰ কাৰ্যকাল অব্যাহত থাকিব, তেনেদৰে বৰ্ধিত কাৰ্যকালৰ ম্যাদ উকলি যোৱা তাৰিখলৈকে তেওঁলোকৰ নিজ নিজ কাৰ্যালয়ত নিজ নিজ পদত থাকিব পাৰিব।

আইনখনৰ ২৫ নং ধাৰাঃ

(১) এই আইনৰ অধীনত সাধাৰণ নিৰ্বাচনত মনোনীত বা নিৰ্বাচিত হোৱা কাউন্সিলাৰ/পাৰিষদ সকলে এই আইনত অন্যাৰ্থত উল্লেখ কৰাৰ বাহিৰে চাৰি বছৰৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰিব লাগিব, যিটো ৰাজ্য চৰকাৰৰ আদেশ অনুসৰি ৫ বছৰৰ কাৰ্যকালতকৈ অধিক নহয়, যদি কোনো কাৰণত ৰাজ্য চৰকাৰে উপযুক্ত বুলি ভাবে, তেন্তে চৰকাৰী অধিসূনাত দিয়া আদেশৰ সৈতে একেলগে অৱগত কৰা হ'ব যাতে সেইটো বৃদ্ধি কৰিব পাৰি:

মহাৰাষ্ট্ৰ আইনৰ ৩ নং ধাৰাঃ

পৌৰসভাৰ নিৰ্বাচন স্থগিত ৰখা- যিকোনো আইনৰ দ্বাৰা বা যাৰ অধীনত কোনো পৌৰসভা গঠন বা প্ৰতিষ্ঠা কৰা হৈছে,-

(ক) ..........................................................................................................

(খ) কোনো পৌৰসভাৰ কাউন্সিলাৰ/পাৰিষদ বা সদস্যসকলৰ কাৰ্যকাল বা বৰ্ধিত কাৰ্যকাল, যিসকল অধ্যাদেশ আৰম্ভ হোৱাৰ তাৰিখত কাৰ্যভাৰত আছিল (আৰু যাৰ কাৰ্যকাল বা বৰ্ধিত কাৰ্যকাল ১৯৬৫ চনৰ ডিচেম্বৰৰ ৩১ তাৰিখৰ আগতে শেষ হ'ব), ১৯৬৫ চনৰ ডিচেম্বৰৰ ৩১ তাৰিখলৈকে বৰ্ধিত বুলি আৰু ইয়াত সামৰি লোৱা হৈছে বুলি গণ্য কৰা হ'ব।

<u>অনুসূচী</u>

(ধাৰা ২ চাওক)

২) বম্বে পৌৰসভা ব'ৰ' আইন, ১৯২৫ (১৯২৫ চনৰ বম্বে ১৮)।

এই দুখন আইনৰ সংযুক্ত প্ৰভাৱ এইদৰে ক'ব পাৰি: আইনৰ ২৫ নং ধাৰা অনুসৰি পৌৰসভাৰ কাউন্সিলাৰ/পাৰিষদ সকলৰ কাৰ্যকাল ৪ বছৰ। ইয়াক ৰাজ্য চৰকাৰে সামগ্ৰিকভাৱে কাৰ্যকাল ৫ বছৰলৈ বৃদ্ধি কৰিব পাৰে। যদিহে চৰকাৰে ধাৰা নং ২৫ ৰ অধীনত ম্যাদ সম্পসাৰণ

কৰে, আইনখনৰ ধাৰা ১৯ ৰ দ্বিতীয়টো বিধানৰ অধীনত সভাপতিৰ কাৰ্যকালও স্বয়ংক্ৰিয়ভাৱে সেই তাৰিখলৈকে বৃদ্ধি কৰা হয় যিটো তাৰিখত বৃদ্ধি কৰা কাৰ্যকালৰ ম্যাদ উকলি যায়। আইনখনৰ ১৯ নং ধাৰাত দ্বিতীয়টো বিধিটোত থকা "এই আইনৰ অধীনত" অভিব্যক্তিটোৱে একেখন আইনৰ ২৫ নং ধাৰাত উল্লেখ কৰা কাউন্সিলাৰৰ কাৰ্যকাল বৃদ্ধিৰ ক্ষেত্ৰত স্পষ্টভাৱে প্ৰযোজ্য যিহেতু আইনখনৰ ধাৰা ২৫ ৰ অধীনত ই সম্প্ৰসাৰণ হয়। আইনখনৰ ধাৰা সমূহৰ ওপৰত মহাৰাষ্ট্ৰ আইনৰ ধাৰা ৩ৰ প্ৰভাৱ হৈছে যে ই কেৱল আইনখনৰ ধাৰা ২৫ ৰ অধীনত নিৰ্ধাৰিত ম্যাদ বৃদ্ধি নকৰে, কিন্তু লগতে ধাৰা ২৫ ৰ অধীনত বা আইনৰ আন যিকোনো ধাৰাৰ অধীনত বৃদ্ধি কৰা সময়সীমাও বৃদ্ধি কৰে। মহাৰাষ্ট্ৰ আইনখনৰ ধাৰা ৩ ৰ প্ৰভাৱ, দ্বিতীয় বিধানে এই গোছৰক শ্পৰ্স নকৰে কাৰণ আইনৰ ধাৰা ২৫ অনুসৰি পাৰিষদ সকলৰ কাৰ্যকাল বৃদ্ধিৰ কোনো আদেশ বা অধিসূচনা নাছিল। সেয়েহে, বৰ্ত্তমানৰ স্বাৰ্থত আমি ধাৰা ১৯ ৰ দ্বিতীয় বিধিক বিবেচনাৰ বাহিৰত ৰাখিছো আৰু সমস্যাটোৰ কাষ চাপিব পৰা পৰিকল্পনাৰ ভিত্তিত ক'ব পাৰি যে ধাৰা ২৫ অনুসৰি কাউন্সিলাৰ/পাৰিষদ সকলৰ নিৰ্ধাৰিত কাৰ্যকাল ১৯৬৫ চনৰ ৩১ ডিচেম্বৰলৈকে বৃদ্ধি কৰা হৈছিল। যদি সেয়াই হয়, তেন্তে পৰৱৰ্তী প্ৰশ্নটো হ'ল ১৯৬৪ চনৰ ১৮ জুলাইত পৌৰসভাৰ কাউন্সিলাৰ/পাৰিষদ সকলে এই প্ৰস্তাৱ গৃহীত কৰিছিল নেকি যে আপীলকাৰীৰ কাৰ্যকাল পৌৰসভাৰ অৱশিষ্ট হ'লে তেওঁলোকৰ উদ্দেশ্য আছিল যে তেওঁৰ কাৰ্যকাল ১৯৬৫ চনৰ ১৭ ফেব্ৰুৱাৰীলৈকেহে বৃদ্ধি কৰা হওক, অৰ্থাৎ পৌৰসভাৰ কাউন্সিলাৰ/পাৰিষদৰ কাৰ্যকাল শেষ হ'লহেঁতেন কিন্তু মহাৰাষ্ট্ৰ আইনখনে দিয়া বিধিগত বৃদ্ধিৰ বাবেহে নহ'ল। পৌৰসভাৰ

উদ্দেশ্য কেৱল প্ৰস্তাৱটো গৃহীত হোৱাৰ সময়ত যিবোৰ পৰিস্থিতি আছিল-বিধিগত আৰু অন্যান্য দুয়োটা দিশতে, লগতে প্ৰস্তাৱটোৰ স্পষ্ট চৰ্তসমূহো বিবেচনা কৰিলেহে বুজিব পাৰি।আইনৰ ধাৰা ১৯ অনুসৰি পৌৰসভাই সভাপতিৰ কাৰ্যকাল এবছৰৰ পৰা চাৰি বছৰৰ ভিতৰত নিৰ্ধাৰণ কৰিব পাৰে, যদিহে পৌৰসভাৰ কাৰ্যকালৰ অৱশিষ্ট এবছৰতকৈ কম হয়। কিন্তু ধাৰা ১৯ ৰ দ্বিতীয় বিধান অনুসৰি পৌৰসভাৰ কাৰ্যকাল বৃদ্ধিৰ কথাও চিন্তা কৰা হৈছে। গতিকে প্ৰস্তাৱটো গৃহীত হোৱাৰ সময়ত পৌৰসভাই এনে পৰিস্থিতিৰ কথা চিন্তা কৰিব নোৱাৰিলেহেঁতেন, যেতিয়া আইনখনৰ বিধান অনুসৰি পৌৰসভাৰ কাৰ্যকাল বৃদ্ধি কৰা হ'ব বুলি ভৱিষ্যদ্বাণী কৰাটো সম্ভৱ নহয়। এনে সম্ভাৱ্য সম্প্ৰসাৰণৰ বিষয়ে জ্ঞাত হৈ যেতিয়া সদস্যসকলে স্থায়ী শব্দৰ ঠাইত "অৱশিষ্ট" অভিব্যক্তিটো ব্যৱহাৰ কৰিছিল, তেতিয়া তেওঁলোকৰ বাবে এই উদ্দেশ্যেৰে আৰোপ কৰাটো যুক্তিসংগত নহয় যে তেওঁলোকে সেই সময়ত তেওঁলোকৰ বাবে উপলব্ধ কাৰ্যকালটোৰ অৱশিষ্টহে বুজাইছিল। যদি তেওঁলোকৰ উদ্দেশ্য সেইটোৱেই হ'লহেঁতেন তেন্তে তেওঁলোকে সভাপতিৰ কাৰ্যকাল শেষ হোৱাৰ এটা নিৰ্দিষ্ট তাৰিখ নিৰ্ধাৰণ কৰিলেহেঁতেন। তাৰ বাহিৰেও ৰেকৰ্ডত/নথিত যথেষ্ট সামগ্ৰী আছে যিয়ে ইংগিত দিয়ে যে কাউন্সিলাৰ/পাৰিষদ সকলে নিৰ্দিষ্ট তাৰিখ নিৰ্ধাৰণ কৰাৰ পৰিৱৰ্তে পৰিকল্পনা কৰি "অৱশিষ্ট" শব্দটো ব্যৱহাৰ কৰিছিল। দেখা যায় যে সভাপতি নিৰ্বাচনৰ সময়ত কাউন্সিলাৰ/পাৰিষদ সকলৰ চিন্তা-চৰ্চাতে পৌৰসভাৰ কাৰ্যকাল বৃদ্ধিৰ সম্ভাৱনা আছিল। মহাৰাষ্ট্ৰ আইনত শিখৰত উপনীত হোৱা অধ্যাদেশ জাৰি কৰাৰ অন্তৰ্নিহিত বস্তুৰ বিবৃতিত ইয়াক তলত দিয়া ধৰণে পালন কৰা হৈছিল।

"১৯৬৩ চনৰ জুলাই মাহত চৰকাৰে ৰাজ্যখনত বৰ্তমান বলবৎ থকা চাৰিখন পৌৰসভাৰ আইন একত্ৰীকৰণৰ প্ৰশ্নটো বিবেচনা কৰাৰ উদ্দেশ্যে এখন সমিতি নিযুক্তি দিছিল। যিহেতু ঐক্যবদ্ধ পৌৰসভা আইনত যথেষ্ট পৰিৱৰ্তনৰ কল্পনা কৰা হৈছে, ই প্ৰশাসনৰ নতুন আৰু একে ধৰণৰ আৰ্হিৰ সুবিধাসমূহক সংশ্লিষ্ট সকলো পৌৰসভাই একেলগে সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ লগে লগে উপলব্ধ হোৱাটো উপযুক্ত বুলি বিবেচিত হৈছে ঐক্যবদ্ধ আইনখনৰ দৃষ্টিভংগীত। ফলস্বৰূপে পৌৰসভাৰ বৰ্তমানৰ আইনসমূহৰ অধীনত নিৰ্বাচিত বা নিৰ্বাচিত হ'ব পৰা ক্ষমতাসমূহ অল্পকালীন হ'ব পাৰে, আৰু অধিক সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে হোৱা সময়, শক্তি আৰু ব্যয়ৰ অপচয় হ'ব। সেয়েহে এনে পৌৰসভাসমূহৰ সাধাৰণ নিৰ্বাচন অধ্যাদেশ জাৰি কৰাৰ পৰা ১৯৬৫ চনৰ ৩১ ডিচেম্বৰলৈকে পিছুৱাই দিয়াৰ সিদ্ধান্ত লোৱা হৈছে, তেতিয়ালৈকে এখন নতুন ঐক্যবদ্ধ পৌৰ আইন প্ৰণয়ন হোৱাৰ আশা কৰা হৈছিল।"

এইটোৱে ইংগিত দিয়ে যে ১৯৬৩ চনৰ জুলাই মাহতো পৌৰসভাসমূহৰ ম্যাদ বৃদ্ধিৰ প্ৰশ্নটো গুৰুত্বসহকাৰে বিবেচনা কৰা হৈছিল। প্ৰকৃততে, ১৯৬৪ চনৰ ১৮ জুলাইত বা ১৮ জুলাইৰ আশে-পাশে, যেতিয়া পৌৰসভাৰ সভাপতিৰ কাৰ্যকাল বৃদ্ধি কৰা হৈছিল, পৌৰসভাৰ দ্বাৰা এক প্ৰস্তাৱ গৃহীত কৰা হৈছিল, য'ত পৌৰসভাৰ ম্যাদ ৪ বছৰৰ অধিক বৃদ্ধি কৰাৰ পৰামৰ্শ দিয়া হৈছিল। গতিকে এইটো স্পষ্ট যে বৃদ্ধি কৰাৰ সময়ত লাভ কৰা বিধিগত আৰু অন্যান্য পৰিস্থিতিৰ ভিত্তিত কাউন্সিলাৰ/পাৰিষদ সকলে স্পষ্টভাৱে আশা কৰিছিল যে পৌৰসভাৰ কাৰ্যকাল বৃদ্ধি কৰা হ'ব বা হ'ব পাৰে আৰু সেই জ্ঞানেৰে তেওঁলোকে নিৰ্ধাৰণ কৰা প্ৰস্তাৱটো গৃহীত কৰিছিল যে

সভাপতিৰ কাৰ্যকাল পৌৰসভাৰ কাৰ্যকালৰ অৱশিষ্টৰ বাবেহে; উদ্দেশ্যটো এনেকুৱা লাগে যে সভাপতিৰ কাৰ্যকাল পৌৰসভাৰ জীৱনকালৰ সৈতে সমন্বয় হ'ব লাগে, বা হ'ব পাৰে।

গতিকে, আমাৰ দৃষ্টিত উচ্চ ন্যায়ালয়ৰ আদেশ শুদ্ধ নহয় আৰু সেই বাবে এই আদেশ বাতিল কৰা হৈছে। ১৯৬৫ চনৰ ৩১ ডিচেম্বৰলৈকে ভূসাৱল ব’ৰ’ পৌৰসভাৰ সভাপতিৰ নিৰ্বাচন অনুষ্ঠিত কৰাত কালেক্টৰক নিষেধাজ্ঞা আৰোপ কৰি আদেশ জাৰি কৰা হ’ল।

এই বিতৰ্কৰ সৃষ্টি হৈছে কাৰণ প্ৰাসংগিক বিধানসমূহ অস্পষ্টতাৰ পৰা মুক্ত নহয়। আমি, সেয়েহে, ভাবো যে এইটো এটা সঠিক গোছৰ য’ত পক্ষসমূহক সমগ্ৰ সময়ছোৱাত নিজৰ খৰচ নিজেই বহন কৰিবলৈ নিৰ্দেশ দিয়া হওক।

আপীল মঞ্জুৰ কৰা হ’ল।

অনুবাদক: খগেন্দ্ৰ কলিতা

পৰীক্ষক: মিতালী কটকী

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।“